পৰিষদীয় সমষ্টিৰ সদস্য তথা বি টি চিৰ কাৰ্য্যবাহী সদস্য ধীৰাজ বৰগয়াৰী আৰু বিজনীৰ প্ৰাক্তন বিধায়ক ৰমিঅ' ব্ৰহ্ম উপস্থিত থাকে। অনুষ্ঠানত উপভোক্তাসকলৰ মাজত মাটিৰ পট্টা বিতৰণৰ লগতে মহিলা আত্ম-সহায়ক গোটসমূহক ১৫ হাজাৰ টকাৰ চেক বিতৰণ কৰা হয়। বয়োজ্যেষ্ঠ পুৰুষ আৰু মহিলাসকলক ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ উপৰিও নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে ২ লাখ টকাৰ আৰ্থিক সহায় আগবঢ়োৱা হয়।

০০০০০

চিৰাঙৰ বিজনী মহাবিদ্যালয়ৰ এন এচ এচ ইউনিটৰ উদ্যোগত কালিৰে পৰা সাতদিনীয়াকৈ বৰলাও গাঁৱত বিশেষ শিবিৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। বিজনী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ আহ্বায়ক ড° বাবুল বসুমতাৰীয়ে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় ক্ৰীড়া আঁচনিৰ সৌজন্যত অনুষ্ঠিত এই শিবিৰত উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়খনৰ দৰ্শন বিভাগৰ সহযোগী অধ্যাপক, এন এচ এচ ইউনিটৰ সহকাৰী কাৰ্যসূচী বিষয়া, বিজনী প্ৰেছ ক্লাৱৰ সভাপতিৰ লগতে বৰলাও গাওঁ হাইস্কুল একাংশ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ ৰূপান্তৰ আৰু পৰিকল্পনা বিভাগৰ অসম দৰ্শন আঁচনি-২০২৪-২৫ৰ অধীনত আজি দ্বিতীয়বাৰৰ বাবে বজালী জিলাৰ কেইবাখনো সত্ৰ, নামঘৰ আৰু উপাসনাস্থলীৰ বাবে ধন আগবঢ়োৱা হয়। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বজালী আৰু ভৱানীপুৰৰ ৩১ খন সত্ৰ, নামঘৰ তথা উপাসনাস্থলীৰ প্ৰতিখনকে ডেৰ লাখকৈ টকাকৈ ধনৰাশি প্ৰদান কৰে। যোৱা বৰ্ষৰ জুন মাহত বজালীত ২ শতাধিক ধৰ্মীয় অনুষ্ঠানলৈ ধনাদেশ বিতৰণৰ পাছত আজি দ্বিতীয়বাৰৰ বাবে মুঠ ৩১ খন ধৰ্মীয় অনুষ্ঠানলৈ ধনৰাশি বিতৰণ কৰা হয়।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ড নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া সাত বজাত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**